অসম

দুচকীয়া বাহনৰ দুর্ঘটনাত মৃতকৰ ৬০.১% হেলমেটবিহীন আৰোহী: মুখ্যমন্ত্রী

দুচকীয়া বাহনৰ দুর্ঘটনাত মৃত্যু হোৱা লোকৰ ৬০.১ শতাংশই হেলমেট নিপিন্ধা আৰোহী বুলি উল্লেখ কৰি অভিযান তীব্রতৰ কৰাৰ কথা জনাইছে মুখ্যমন্ত্রীয়ে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৩



Chief Minister Himanta Biswa Sarma (Social Media)

© 2026 NewzNow

দুচকীয়া বাহনৰ চালক আৰু আৰোহীৰ বাবে হেলমেট পৰিধানৰ নিয়ম কঠোৰভাৱে বলৱৎ কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। হেলমেট নপিন্ধিলে জৰিমনাৰ উপৰি কঠোৰ আইনী ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই সতর্ক কৰি দিছে।

সামাজিক মাধ্যমত প্রকাশ কৰা এক বক্তব্যত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, দুচকীয়া বাহনৰ দুর্ঘটনাত মৃত্যু হোৱা লোকসকলৰ ৬০.১ শতাংশই হেলমেট পৰিধান নকৰা আৰোহী। যান-বাহন আৰক্ষীৰ অভিযানত পোৱা এই পৰিসংখ্যা চিন্তাজনক বুলি তেওঁ উল্লেখ কৰে।

গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত হেলমেট নিপিন্ধা চালক আৰু আৰোহীৰ সংখ্যা বৃদ্ধি পোৱাত চৰকাৰে পথ সুৰক্ষাৰ নীতি-নির্দেশনা অধিক কঠোৰভাৱে বলৱৎ কৰাৰ সিদ্ধান্ত লৈছে। এই সন্দর্ভত সংশ্লিষ্ট বিভাগসমূহলৈ ইতিমধ্যে নির্দেশনা জাৰি কৰা হৈছে।

মুখ্যমন্ত্রীয়ে কয়, হেলমেট পৰিধান কেৱল আইন মানি চলাৰ বিষয় নহয়; ই প্রতিগৰাকী দুচকীয়া বাহন আৰোহীৰ জীৱন সুৰক্ষাৰ সৈতে জড়িত। হেলমেট নপিন্ধা লোকৰ বিৰুদ্ধে আৰক্ষীয়ে যান-বাহন পৰীক্ষা আৰু বিশেষ অভিযান অধিক তীব্রতৰ কৰিব।

> কোনো ব্যক্তিয়ে আইন উলংঘা কৰি নিজৰ লগতে আনৰ জীৱন বিপদত পেলাব নোৱাৰিব। বর্তমানৰ অভিযান কেৱল আৰম্ভণিহে; জনসাধাৰণৰ সুৰক্ষাৰ স্বার্থত ই অব্যাহত থাকিব।

হেলমেট নিপিন্ধা দুচকীয়া বাহনৰ চালক আৰু আৰোহীৰ বিৰুদ্ধে বিশেষ অভিযান চলোৱাৰ লগতে হেলমেট পৰিধান নকৰা আৰোহীক ইন্ধন যোগান নকৰিবলৈ নির্বাচিত পেট্র'ল পাম্পসমূহলৈও কঠোৰ নির্দেশনা জাৰি কৰা হৈছে। আনহাতে, গতি-সীমা নির্ধাৰণ যন্ত্র সংস্থাপন নকৰা বাহনৰ বিৰুদ্ধেও অভিযান অব্যাহত আছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4360/assam-helmet-rule-road-safety